# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-10-2024
**Time :** 1800 Hrs.

***Assamese Evening Bulletin***

অসমৰ পাঁচটা বিধানসভা সমষ্টিৰ বাবে হ'বলগীয়া আসন্ন উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিনা ২৪ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন-পত্ৰ দাখিল কৰে। উপ-নিৰ্বাচনৰ বাবে আটাইকেইটা ৰাজনৈতিক দল তথা নিৰ্দলীয় প্ৰাৰ্থীকে ধৰি মুঠ ৩৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। আজি বিহালী বিধানসভা সমষ্টিৰ কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী জয়ন্ত বৰাই মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত প্ৰাৰ্থীগৰাকীক কংগ্ৰেছৰ ৰাজ্যিক সমিতিৰ শীৰ্ষ নেতৃত্বৰ লগতে সাংসদ গৌৰৱ গগৈ উপস্থিত থাকে। আনহাতে ছিদলী বিধানসভা সমষ্টিৰ বি পি এফৰ প্ৰাৰ্থী শুদ্ধ কুমাৰ বসুমতাৰীয়ে আজি বি পি এফ প্ৰধান হাগ্ৰামা মহিলাৰীৰ উপস্থিতিত মনোনয়ন-পত্ৰ দাখিল কৰে। বঙাইগাঁৱৰ অগপৰ প্ৰাৰ্থী দীপ্তিময়ী চৌধুৰীয়েও বহু সমৰ্থকৰ উপস্থিতিত মনোনয়ন পত্ৰ দাখিল কৰে। সমষ্টিটোৰ কংগ্ৰেছৰ প্ৰাৰ্থী ব্ৰজেন জিৎ সিংহয়ো আজি মনোনয়ন দাখিল কৰে।

ইপিনে, আম আদমী পাৰ্টীৰ প্ৰাৰ্থী অনন্ত গগৈয়ে বিহালীত আৰু নুৰুল আমীন চৌধুৰীয়ে চামগুৰিত মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন দাখিলপৰ্বত নুৰুল আমীন চৌধুৰীৰ লগত আপৰ ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ দলীয় নেতা উপস্থিত থাকে। অনন্ত গগৈৰ সৈতেও দলৰ ৰাষ্ট্ৰীয় তত্বাৱধায়ক ৰাজেশ শৰ্মাকে ধৰি ৰাজ্যিক পৰ্যায়ৰ কেইবাজনো নেতা উপস্থিত থাকে।

oooooooo

নিযুক্তি আয়োগৰ অধ্যক্ষ তথা অসম চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব বি কল্যাণ চক্ৰৱৰ্তীয়ে পৰহিলৈ অনুষ্ঠিত হ'বলগীয়া তৃতীয় আৰু চতুৰ্থবৰ্গৰ প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা সন্দৰ্ভত আজি এখন সংবাদ মেল সম্বোধন কৰে। সংবাদ মেলখনত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ ৰমেশ চান্দ জৈনৰ লগতে আয়ুক্ত সচিব তথা নিযুক্তি আয়োগৰ সদস্য জয়ন্ত নাৰ্লিকাৰকে ধৰি অন্যান্য বিষয়াসকলো উপস্থিত থাকে। উল্লেখযোগ্য যে ২৮ খন জিলাত ৪২টা বিভাগৰ বাবে মুঠ পাঁচ হাজাৰ ২৩টা খালী পদৰ বাবে এই পৰীক্ষা অনুষ্ঠিত হ'ব। পুৱা ৯ বজাৰ পৰা দশম শ্ৰেণী উত্তীৰ্ণৰ বাবে আগ বেলাৰ পৰীক্ষাৰ বিপৰীতে ডেৰ বজাৰ পৰা অষ্টম শ্ৰেণী উত্তীৰ্ণৰ বাবে পাছ বেলাৰ পৰীক্ষা অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে দুয়োবেলাৰ পৰীক্ষাত ১৩ লাখ ৭৯ হাজাৰ ১৩২ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। পৰীক্ষাৰ্থীসকলক আগতীয়াকৈ গৈ পৰীক্ষা কেন্দ্ৰসমূহ চাই অহাৰ লগতে মহিলা পৰীক্ষাৰ্থীৰ তালাচীৰ বাবে অংগনবাড়ী কৰ্মীৰ নিয়োগ কৰা হ'ব বুলি নিযুক্তি আয়োগে জানিবলৈ দিয়ে।

পৰীক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ ৰমেশ চান্দ জৈনে এইদৰে কয়–

*(বাইট)*

তামুলপুৰতো এই নিযুক্তি পৰীক্ষা সন্দৰ্ভত জিলা আয়ুক্তৰ কাৰ্যালয়ত এলানি সভা অনুষ্ঠিত হয়। স্বচ্ছ আৰু নিকাকৈ পৰীক্ষা অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত চৰকাৰ সহযোগিতা আগবঢ়াবলৈ আয়ুক্তই সংশ্লিষ্ট সকলোকে আহ্বান জনায়। উল্লেখযোগ্য যে তামুলপুৰ জিলাত আগবেলা ২৯টা পৰীক্ষা কেন্দ্ৰত ১৪ হাজাৰ ৫৪৩ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হোৱাৰ বিপৰীতে পাছবেলা ১৫টা কেন্দ্ৰত ৯ হাজাৰ ৬৫৭ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব।

০০০০০০০

ৰাজ্যিক কৰ্মচাৰীসকলৰ বাবে দীপাৱলী উদযাপন বিশেষ কৰি তুলিবলৈ ৰাজ্য চৰকাৰে ২৮ অক্টোবৰৰ পৰা তেওঁলোকৰ দৰমহা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্ট যোগে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে উল্লেখ কৰি আগতীয়াকৈ দীপাৱলীৰ শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০০

হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী বৰ্ষ উদ্‌যাপনৰ শুভাৰম্ভণি অনুষ্ঠান অহা ২ নৱেম্বৰত দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত আয়ুক্ত সচিব থানেশ্বৰ মালাকাৰে পুৰা পতাকা উত্তোলন কৰিব। বিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষ প্ৰয়াত বংকিম চন্দ্ৰ শৰ্মাৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পন কৰাৰ লগতে বন্তি প্ৰজ্বলন কৰা হ'ব। কাৰ্যসূচীৰ অংশ হিচাপে বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা আৰু দিনৰ এক বজাত শুভাৰম্ভণি সভা অনুষ্ঠিত হ'ব। অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ননীগোপাল মহন্ত উপস্থিত থাকিব। সন্ধিয়াৰ ভাগলৈ বিদ্যালয় চৌহদত বন্তি প্ৰজ্বলন কৰা হ'ব।

০০০০০০০

ডিব্ৰুগড়ত সৰ্বভাৰতীয় পৰ্যায়ৰ ছাব জুনিয়ৰ ৰেংকিং বেডমিণ্টন প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। আজি এই প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। উদ্বোধনী ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয় যে, ডিব্ৰুগড় চহৰত এনে এখন সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰাটো সমগ্ৰ অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বাবে অতি আশাব্যঞ্জক। উল্লেখযোগ্য যে দেশৰ বিভিন্ন ৰাজ্যৰ খেলুৱৈয়ে এই প্ৰতিয়োগিতাত অংশগ্ৰহণ কৰিছে।

০০০০০০০

**সমাপ্ত**